# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-11-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

চৰাইদেউ মৈদামথলীত পৰহিৰেপৰা বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ উদ্‌যাপন কৰা হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সহযোগত আয়োজিত এই কাৰ্যসূচী উপলক্ষে প্ৰতিদিনে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি চৰাইদেউ মৈদামত উপস্থিত হৈ প্ৰত্নতত্ব বিভাগৰ বিষয়াসকলৰ পৰা মৈদামৰ বিভিন্ন দিশ সম্পৰ্কে বুজ লয়। আজি মৈদামক্ষেত্ৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদামথলীৰ চৌহদত থকা স্থায়ী চাও-চি ৰেন গৃহত বন্তি প্ৰজ্বলন কৰাৰ লগতে টাই-মলুং পণ্ডিতৰ মন্ত্ৰোচ্চাৰণৰ মাজতে আহোম স্বৰ্গদেউসকলৰ উপৰি পুৰুষক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী সোণোৱালে লগতে চৰাইদেউৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে।

**-বাইট-**

মন্ত্ৰীগৰাকীৰ সৈতে ভ্ৰমণকালত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে, চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ বাবে নথি-পত্ৰ যুগুত কৰা ড° কে চি ন'ৰিয়েললৈ টাই-আহোম যুৱ ছাত্ৰ পৰিষদে লাচিত বৰফুকন বঁটা, ২০২৪ ঘোষণা কৰিছে।

শিৱসাগৰ জিলাতো পৰহিৰেপৰা বিশ্ব ঐতিহ্য সপ্তাহ উদযাপন কৰা হৈছে। এই উপলক্ষে জিলাখনৰ ঐতিহাসিক স্থানসমূহ তথা কীৰ্তিচিহ্ন থকা অঞ্চলসমূহত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি এই সপ্তাহৰ সৈতে সংগতি ৰাখি পুৰাতত্ব বিভাগৰ উদ্যোগত ৰংঘৰ বাকৰিৰ পৰা তলাতল ঘৰলৈকে সমদল উলিওৱা হয়। এই সমদলত বিভাগৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈ কীৰ্তিচিহ্ন থকা স্থানসমূহ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ সকলোকে আহ্বান জনায়।

00000

কাজিৰঙাত অহা ২৭ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কেইবাখনো আলোচনাসত্ৰ আৰু বৈঠক অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অৰুণাচল প্ৰদেশৰ মুখ্যমুন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু হস্ততাঁত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। উল্লেখযোগ্য যে অতিথিসকলে ২৬ নৱেম্বৰত ডিব্ৰুগড় বিমানবন্দৰত অৱতৰণ কৰাৰ পাছত তেওঁলোকক বিশ্ব

ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰিবলৈ লৈ যোৱা হ'ব। কাজিৰঙালৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁলোকে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰো দৰ্শন কৰিব।

পৰ্যটন মন্ত্ৰালয়ৰ সচিব ভি বিদ্যাৱতীয়ে ২৭ নৱেম্বৰৰ পুৱা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰিব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কাজিৰঙাৰ কঁহৰাৰ সভাগৃহত উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ চৰকাৰৰ তৰফৰ পৰা প্ৰত্যেকখন ৰাজ্যৰ পৰ্যটন ব্যৱস্থাক উপস্থাপন কৰাৰো দিহা কৰা হৈছে। দ্বিতীয় দিনা মেলাত অংশগ্ৰহণ কৰিবলৈ আহিবলগীয়া সন্মানীয় অতিথি তথা প্ৰতিনিধিসকলে কাজিৰঙা বনাঞ্চলত জীপ ছাফাৰী কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান আৰু হাতীখুলি চাহ বাগিচা ভ্ৰমণ কৰিব। বিয়লি ৰাজ্য চৰকাৰৰ উদ্যোগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰ'ৰ অধীনস্থ ডিব্ৰুগড়স্থিত ক্ষেত্ৰ কাৰ্যালয়ৰ উদ্যোগত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্বচ্ছতাই সেৱাৰ লগতে সংহত যোগাযোগ আৰু প্ৰচাৰ সম্পৰ্কীয় দুদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে।  এই কাৰ্যসূচীত ফিট ইণ্ডিয়া জনজাতীয় গৌৰৱ দিৱস আৰু প্ৰধানমন্ত্ৰীৰ শিক্ষানবিচ আঁচনিসমূহকে ধৰি বিভিন্ন কাৰ্যসূচী সামৰি লোৱা হৈছে। আজি ডিব্ৰুগড়ৰ ডি এইচ এছ্‌ কে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা স্বচ্ছ ভাৰত অসমৰ ব্ৰেণ্ড এম্বেছাদৰ ডঃ শশীকান্ত শইকীয়াই অনুষ্ঠানটো উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোকচিত্ৰ প্ৰদৰ্শনীৰ লগতে স্থানীয় আত্মসহায়ক গোটসমূহে গছপুলি, হস্ত শিল্পজাত সামগ্ৰী, স্থানীয় খাদ্য সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰীৰ বিপণী মুকলি কৰিছে। তদুপৰি বিনামূলীয়া স্বাস্থ্য শিবিৰো মুকলি কৰা হৈছে। আজি সন্ধিয়াৰ ভাগত আয়োজিত সাংস্কৃতিক কাৰ্যসূচী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে লোকনৃত্য আৰু লোকগীত পৰিৱেশন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কাইলৈ মল্লযুদ্ধ আৰু দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০

সমাপ্ত